# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২ খন জিলাৰ ৩ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। গোৱালপাৰা, লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সৈতে  ফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও অৱগত কৰে।

তিনিচুকীয়া জিলাৰ অৰুণাচল সীমান্তৱৰ্তী নামনি দিবাং জিলাৰ বোমজিৰ নৈৰ বাঢ়নি পানীৰ মাজত আবদ্ধ হৈ পৰা ১৪ জন লোকক আজি হেলিকপ্টাৰৰ জৰিয়তে সুকলমে উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা লোক কেইজনৰ ১৩ জনে তিনিচুকীয়া জিলাৰ। তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে এটা সংকটকালীন ফোন পোৱাৰ পাছতে কালি নিশাই এই সম্পৰ্কে অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণ, বায়ু সেনা বিভাগৰ সহায় বিচৰাৰ লগতে অৰুণাচলৰ নামনি দিবাং জিলাৰ প্ৰশাসনকো সষ্টম কৰি তোলে। আজি পুৱাৰ ভাগতে বায়ু সেনা বাহিনীয়ে উদ্ধাৰ অভিযান চলাই আটাইকে উদ্ধাৰ কৰে।

লখিমপুৰ জিলা আয়ুক্তই জিলাখনৰ বান পীড়িত পোতাবিল, পাঁচনৈ আৰু কয়লামাৰি অঞ্চলৰ বান পৰিস্থিতি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে লগতে বান পীড়িতসকলক সাহায্য বিতৰণৰ বাবে স্থাপন কৰা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ব্যৱস্থাৰ বুজ লয়। কালি লখিমপুৰৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জিলাখনৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰিছিল।

কালি বিয়লিৰে পৰা বৃদ্ধি হৈ থকা ব্ৰহ্মপুত্ৰৰ পানীয়ে আজি পুৱাই শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট ভাঙি নিয়ে। শ্লুইছ গে'টখন ভাগি যোৱাৰ ফলত  কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকা প্লাবিত হৈ পৰিছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ উচ্চতা বৃদ্ধি হোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা গৈছে। সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ যোৰহাট জিলা প্ৰশাসনে অনুৰোধ জনাইছে।

ooooo

অহা বছৰ ৰাজ্যখনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে শাসনাধিস্থিত  বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। গোলাঘাটত আজি এই প্ৰস্তুতিৰ অংশ হিচাপে জিলা  বিজেপিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ উপৰি

দলৰ বহু বিষয়ববীয়া আৰু কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে। এই সভাত তৃণমূল পৰ্যায়ৰ পৰা প্ৰতিটো সমস্যাৰ বুজ লবলৈ দলীয় কৰ্মকৰ্তাসকলক মন্ত্ৰী শ্ৰীমতী নেওগে আহ্বান জনায়। ইপিনে, কংগ্ৰেছ দলৰ নৱ নিযুক্ত ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি শিৱসাগৰত এলানি দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি দলটোৰ প্ৰস্তুতি আৰু ৰণনীতি সন্দৰ্ভত প্ৰকাশ কৰে। জিলাখনৰ নেতা কৰ্মীসকলে শ্ৰীগগৈক জিলাখনত আদৰণি জনায়। বিৰোধী দলৰ ৰাজ্যিক সভাপতিগৰাকীয়ে  ৰাইজৰ সহযোগিতাৰে দলটোক নিৰ্বাচনৰ বাবে সাজু হ'ব বুলি মন্তব্য কৰে।

০০০০০

অৰুণাচল প্ৰদেশৰ পাছিঘাটত অসম সাহিত্য সভাৰ উদ্যোগত আৰু পাছিঘাট শাখা সাহিত্য সভাৰ সহযোগত আজি দিনযোৰা কাৰ্যসূচীৰে বিশিষ্ট সাহিত্যিক লুম্মেৰ ডাইৰ ৮৫ সংখ্যক জয়ন্তী উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত সাহিত্যিক গৰাকীৰ আবক্ষ মূৰ্তি উন্মোচনৰ লগতে লুম্মেৰ ডাই সাহিত্য বঁটা প্ৰদান কৰা হয়। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে সভাৰ পতাকা উত্তোলন কৰাৰ পাছত আদি বানে কিবাংৰ সভাপতি তাদুম লিবাং আৰু আদি আগম কিবাংৰ সভাপতি টায়েত তালমে সাহিত্যিকগৰাকীৰ আবক্ষ মুৰ্তি উন্মোচন কৰে। দিনৰ ভাগত আয়োজিত অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত মামাং ডাইক লুম্মেৰ ডাই বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা অৰুণাচল প্ৰদেশ লিটাৰেৰী ছোচাইটিৰ সভাপতি য়েছে দৰজে থংছি আৰু সাহিত্যিক নন্দ সিং বৰকলাৰ লগতে দুয়োখন ৰাজ্যৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

অসম সাহিত্য সভাৰ আহ্বানত আজি ওদালগুৰি জিলা সাহিত্য সভাইও বিশিষ্ট সাহিত্যিক লুম্মেৰ ডাইৰ ওপজা দিন পালন কৰে।

০০০০০

বিশ্বনাথ জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত ছদিনীয়াকৈ অনুষ্ঠিত কিতাপ পঢ়িবলৈ যাও ব'লা শীৰ্ষক কাৰ্যসূচী আজি সামৰণি পৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জ্ঞান সাৰথি গ্ৰন্থ যাত্ৰা, গ্ৰন্থ মেলা, জিলা পৰ্যায়ৰ চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাৰ উপৰি **মোৰ জীৱনক প্ৰভাৱিত কৰা এখন গ্ৰন্থ** শীৰ্ষক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই উপলক্ষে ন-পুৰণি প্ৰশিক্ষাৰ্থীৰ অন্তৰংগ আলাপ আৰু এখন প্ৰদৰ্শনী মুকলি কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ